# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-03-2026
**Time :** 1205 Hrs.

## *Assamese Midday Bulletin*
## HEADLINES

১। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে অসমত ই ভি এম আৰু ভিভিপেটসমূহৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ডʼমাইজেচন সম্পন্ন।

২। আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল আৰু প্ৰচাৰ অভিযান অব্যাহত।

৩। নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ স্বাৰ্থত অসম আৰক্ষীৰ সতৰ্কতামূলক গ্ৰেপ্তাৰৰ ব্যৱস্থা গ্ৰহণ।

*আৰু*

৪। ফ্ৰান্সৰ অৰ্লেন্সত অনুষ্ঠিত অৰ্লেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত অসমৰ ঈষাৰাণী বৰুৱা পৰাস্ত।

0000000

ৰাজ্যিক নিৰ্বাচন আয়োগে সমাগত বিধানসভা নিৰ্বাচনৰ বাবে অসমত ই ভি এম আৰু ভিভিপেটসমূহৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ডʼমাইজেচন সম্পন্ন কৰিছে। নিৰ্বাচন আয়োগে প্ৰেছ বিজ্ঞপ্তিযোগে জনোৱা অনুসৰি দ্বি-স্তৰীয় ৰেণ্ডʼমাইজেচন প্ৰক্ৰিয়াৰ জৰিয়তে ইভিএমসমূহ নিজ নিজ ভোটকেন্দ্ৰসমূহত বিতৰণ কৰা হয়। প্ৰথম পৰ্যায়ত জিলা পৰ্যায়ৰ গুদামঘৰৰপৰা বিধানসভা সমষ্টিসমূহলৈ ইভিএমসমূহ আৱণ্টন কৰা হয়। দ্বিতীয় পৰ্যায়ত ইভিএম ভোটকেন্দ্ৰৰ মাজত বিতৰণ কৰা হয়। নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি জিলা নিৰ্বাচনী বিষয়াসকলে প্ৰথম স্তৰৰ পৰীক্ষাৰ অন্তত বিজুতিবিহীন ইভিএম আৰু ভিভিপেটসমূহৰ আৱণ্টন সম্পন্ন কৰা হৈছে। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ উপস্থিতিত জিলা নিৰ্বাচনী বিষয়াসকলে ইভিএম ব্যৱস্থাপনা প্ৰণালীৰ জৰিয়তে এই আৱণ্টন সম্পন্ন কৰে। ৰেণ্ডʼমাইজেচন কৰা ইভিএম আৰু ভিভিপেটসমূহৰ সমষ্টিভিত্তিক তালিকা সংশ্লিষ্ট জিলা সদৰত ৰাজনৈতিক দলৰ প্ৰতিনিধিক প্ৰদান কৰা হৈছে। এই ইভিএম আৰু ভিভিপেটসমূহ বিধানসভাৰ ষ্ট্ৰংৰুমত সংৰক্ষণ কৰা হʼব।

00000

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল আৰু প্ৰচাৰ অভিযানে গতি লাভ কৰিছে। কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিনা বহু প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব। ইপিনে, জিলা প্ৰশাসনসমূহেও নিৰ্বাচনকেন্দ্ৰীক তৎপৰতা অব্যাাহত ৰাখিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি ডিমাহাচাও জিলাত উপস্থিত হৈ জিলাখনৰ নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। ডিমাহাচাও

জিলাৰ মুঠ  ২৬১টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত এটা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব আৰু ১৫টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাই পৰিচালনা কৰিব।

মাজুলীত কালি জিলা নিৰ্বাচনী বিষয়া সৃষ্টি সিং আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শোভাদৰ্শিনীয়ে আহতগুৰি অঞ্চলৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। ডিব্ৰুগড় জিলাৰ বিভিন্ন স্থানত কালি নিৰীক্ষণকাৰী দল আৰু ফ্লাইং স্কোৱাদে অভিযান চলায়। জিলাখনত একাংশ জ্যেষ্ঠ বিষয়াৰ দলে নাহৰকটিয়া বিধানসভা সমষ্টিৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানীয়ে কালি নিৰ্বাচনৰ ষ্ট্ৰং ৰুম হিচাপে ব্যৱহাৰ হ'বলগীয়া যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক বিদ্যালয় আৰু বালিকা বিদ্যালয় পৰিদৰ্শন কৰে। লখিমপুৰ জিলাৰ ঢকুৱাখানাৰ জিলা নিৰ্বাচনী বিষয়া আৰু সম-জিলা আয়ুক্তই কালি ঢকুৱাখানা সমষ্টিৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

নিৰ্বাচনৰ দিন ওপৰ চাপি অহাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে প্ৰচাৰ আৰম্ভ কৰিছে। বিজেপিয়ে পৰহিলৈ আনুষ্ঠানিকভাৱে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিব বুলি দলৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে।

*(বাইট ঃ ড° হিমন্ত বিশ্ব শৰ্মা)*

প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কালি মাজুলীত প্ৰচাৰ চলায়। মাজুলীত বিজেপি প্ৰাৰ্থী ভূৱন গামেও কালি উজনি মাজুলীৰ কেইবাটাও অঞ্চলত প্ৰচাৰ চলায়।  চিৰাং জিলাৰ চিদনীত কালি দুই শতাধিক লোকে বি পি এফ দলত যোগ দিয়ে। বাক্সা জিলাৰ মুছলপুৰত কালি ইউ পি পি এল আৰু জি এছ্ পিৰ ৭২ গৰাকী সদস্যই বি পি এফত যোগ দিয়ে।

ooooo

বিধান সভা নিৰ্বাচনৰ বাবে প্ৰতিখন জিলাত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ফ্লায়িং স্কোৱাড আৰু নিৰীক্ষণকাৰী দলে সক্ৰিয়ভাৱে দায়িত্ব পালন কৰি আছে। **বিশ্বনাথ** আৰক্ষীয়ে যোৱা নিশা বিহালীৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই এক লাখৰো অধিক নগদ ধন জব্দ কৰে। তেজপুৰৰ পৰা গহপুৰ অভিমুখী এখন বাহনৰ পৰা ধনখিনি জব্দ কৰা হয়। ধনৰ উৎস সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। **কামৰূপত** জিলা আৰু আৰক্ষী প্ৰশাসনে জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ নিৰ্বাচন সুকলমে আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ ব্যৱস্থা হাতত লৈছে। জিলাখনৰ বিভিন্ন প্ৰান্তত আৰক্ষী জোৱানে দিনে-নিশাই তালাচী চলাইছে। জিলাখনত ৯টা অৰ্ধ সামৰিক বাহিনীয়ে একেলগ হৈ আৰক্ষীৰ লগত নিৰাপত্তাৰ দিশ চোৱাচিতা কৰিছে।

বিধানসভা নিৰ্বাচন সংক্ৰান্তীয় যিকোনো অভিযোগ আৰু তথ্য ৰাইজে দাখিল কৰিব পৰাকৈ **বৰপেটা** জিলা প্ৰশাসনে নিয়ন্ত্ৰণ কক্ষসহ ফোন নম্বৰ মুকলি কৰিছে। জিলা প্ৰশাসনে জাননী যোগে উল্লেখ কৰা অনুসৰি নিৰ্বাচন সম্পৰ্কীয় যিকোনো তথ্য আৰু অভিযোগ টোল-ফ্ৰী নম্বৰ ১৯৫০ৰ জৰিয়তে দিব পাৰিব। তদুপৰি ৯১৮১১-৭৩৯৫৪ আৰু ৯৮৬৪৬-৪৩০৮৯ নম্বৰ দুটাৰ জৰিয়তেও অভিযোগ আৰু তথ্য অৱগত কৰিব পাৰিব।

**গোৱালপাৰা** আৰক্ষী প্ৰশাসনেও সমাগত বিধাসভা নিৰ্বাচনৰ বাবে সাজু হৈ উঠিছে। আৰক্ষী জোৱানসকলে জিলাখনৰ পাঁচটা স্থানত ৰুটমাৰ্চ কৰে। **তামুলপুৰ** আৰক্ষী প্ৰশাসনেও নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত

তৎপৰ হৈ পৰা পৰিলক্ষিত হৈছে। জিলাখনৰ তামুলপুৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিত স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ লক্ষ্যৰ কালি আৰক্ষী আৰু এছ এছ বিৰ জোৱানসকলে যুটীয়াভাৱে ফ্লেগমাৰ্চ কাৰ্যসূচী ৰূপায়ণ কৰে।

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত **নলবাৰী** জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়, বেংক, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আদি দেওবাৰ আৰু অন্য চৰকাৰী বন্ধৰ দিনটো খোলা ৰখাৰ নিৰ্দেশ জাৰি কৰিছে। জৰুৰী নিৰ্বাচনী চিঠি-পত্ৰ গ্ৰহণ কৰিবৰ বাবে অন্ততঃ এজন কাৰ্যালয়ৰ সহায়ক আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰী নিজ নিজ কাৰ্যালয়ত বন্ধৰ দিনটো উপস্থিত থাকিবলৈ নিৰ্দেশনাটোত কোৱা হৈছে। নিৰ্বাচনী কাম-কাজ অন্ত নপৰালৈকে এই নিৰ্দেশনা বাহাল থাকিব।

ooooo

অসম আৰক্ষীয়ে নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ স্বাৰ্থত সতৰ্কতামূলক গ্ৰেপ্তাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহা-পৰিদৰ্শক অখিলেশ সিঙে কালি কয়, যে পূৰ্বতে অপৰাধৰ তথ্য থকা অভিযুক্তসকলৰ তালিকা চূড়ান্ত কৰা হৈছে আৰু নিৰ্বাচনৰ সময়ত অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে এইসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তেওঁ কয়, যে সকলো থানাকে এনে অপৰাধীৰ তালিকা প্ৰস্তুত কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে। আৰক্ষীয়ে নিয়মীয়াভাৱে পৰিস্থিতিৰ পৰ্যালোচনা কৰি আছে বুলি শ্ৰীসিঙে প্ৰকাশ কৰে। তেওঁ কয়, যে নিৰ্বাচনৰ সময়ত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহনীৰ পাঁচটা আৰু দেশৰ বিভিন্ন অংশৰ ৰাজ্যিক সশস্ত্ৰ আৰক্ষী বাহিনীৰ ১৮টা দলৰ লগতে কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ প্ৰায় ৮০০টা কোম্পানী নিয়োগ কৰা হ'ব। ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি সন্তোষজনক বুলি উল্লেখ কৰি শ্ৰীসিঙে কয়, যে আৰক্ষীয়ে মুক্ত আৰু শান্তিপূৰ্ণ নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে চেষ্টাৰ ত্ৰুটি নকৰে।

ooooo

ধেমাজি জিলাৰ চিলাপথাৰৰ অকাজান ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পৰীক্ষাৰ বহিঃনিৰীক্ষক মনমোহন গগৈক দুৰ্বৃত্তই চলোৱা আক্ৰমণৰ ঘটনাৰ উচিত তদন্তৰ বাবে অসম কলেজ শিক্ষক সংস্থাই দাবী জনাইছে। ডিব্ৰুগড়ত কালি অনুষ্ঠিত সংবাদমেলত সংস্থাৰ কেন্দ্ৰীয় নেতৃত্বই চৰকাৰী কৰ্তব্য পালন কৰি থকাৰ সময়ত আক্ৰমণৰ বলি হোৱা শিক্ষকক নিৰাপত্তা প্ৰদানত ব্যৰ্থ হোৱা বুলি আৰক্ষী আৰু প্ৰশাসনৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। আক্ৰমণৰ ঘটনাৰ সৈতে জড়িত দুষ্কৃতিকাৰীক উচিত শাস্তি দিবলৈ কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় নেতৃত্বই দাবী জনায়। বিষয়টো চৰকাৰে গুৰুত্ব নিদিলে এপ্ৰিল মাহৰ পৰা হ'বলগীয়া উচ্চতৰ মাধ্যমিকৰ শ্ৰেণীসমূহত পাঠদান কৰাৰ পৰা কলেজ শিক্ষকসকল বিৰত থাকিব বুলি সংবাদমেলত উল্লেখ কৰে।

ooooo

ফ্ৰান্সৰ অৰ্লেন্সত অনুষ্ঠিত অৰ্লেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত অসমৰ ঈষাৰাণী বৰুৱা পৰাস্ত হৈছে। কালি অনুষ্ঠিত ছেমি ফাইনেলত বিশ্বৰ ২৭ সংখ্যক ৰেংকিঙৰ খেলুৱৈ থাইলেণ্ডৰ পিটচামন অপাটনিপুথৰ হাতত ঈষাৰাণী পৰাস্ত হয়।

ooooo

খেলো ইণ্ডিয়াৰ অধীনত কালিৰ পৰা গুৱাহাটীত অস্মিতা সাঁতোৰ লীগ অনুষ্ঠিত হৈছে। প্ৰথম দিনা ২০টা ইভেণ্ট অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত উত্তৰ-পূবৰ ৮ খন ৰাজ্যৰ উপৰি বিহাৰ, ওড়িশা, ঝাৰখণ্ড আৰু

পশ্চিমবংগৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাখনৰ প্ৰতিটো ইভেণ্টৰ শীৰ্ষ ৪ গৰাকী সাঁতোৰবিদক আহমেদাবাদত হ'বলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ অস্মিতা সাঁতোৰ লীগত অংশগ্ৰহণৰ সুযোগ দিয়া হ'ব।

০০০০০

**সমাপ্ত**